# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 31-OCT-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

উন্নয়নমুখী পৰিকল্পনাৰ জৰিয়তে এসময়ত অৱহেলাপূৰ্ণ অঞ্চল বুলি খ্যাত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰটো বৰ্তমান বিকশিত অঞ্চললৈ ৰূপান্তিৰত হৈছে বুলি আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি লখিমপুৰত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি এই সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। ভাষণ প্ৰসঙ্গত ড০ শৰ্মাই ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ খতিয়ান দাঙি ধৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

তেওঁ লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত এখন জনসভাত জনসাধাৰণক উদ্দেশি ভাষণ দিয়ে। তেওঁ এই সভাতে ২৮৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ২০৫ খন বিছনাযুক্ত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ছুপাৰ স্পেছিয়েলিটি হাস্পতাল আৰু নাৰ্ছিং কলেজ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। ড০ শৰ্মাই ইয়াৰ পূৰ্বে ৩০ খন আসনযুক্ত লখিমপুৰ কেন্সাৰ হাস্পতালৰ কেইবাটাও বিভাগ ৰাইজৰ বাবে মুকলি কৰে। ভাষণ প্ৰসঙ্গত তেওঁ কৰ্কট ৰোগৰ চিকিৎসাত চিকিৎসকসকলতকৈও নাৰ্চসকলৰ অৱদান অধিক বুলি উল্লেখ কৰে। নাৰ্চিং কলেজৰ সন্দৰ্ভত তেওঁ কয় যে এই মহাবিদ্যালয়খনত বি এছ্ চি নাৰ্চিঙৰ উপৰি এম এছ্ চি নাৰ্চিঙৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ বাবে প্ৰাৰম্ভিক প্ৰস্তুতি আৰম্ভ হৈছে বুলিও তেওঁ মন্তব্য কৰে। ৰাজ্যত অহা চাৰি-পাঁচ বছৰৰ ভিতৰত ৩০খন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। প্ৰতি বছৰে দুখনকৈ মেডিকেল কলেজ স্থাপন কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। প্ৰতি বছৰে ৰাজ্য চৰকাৰে ৰাজ্যত প্ৰায় দুহেজাৰ গৰাকী নাৰ্চক নিযুক্তি দি আহিছে বুলি তেওঁ প্ৰকাশ কৰে। ছুপাৰ স্পেচিয়েলিটী হাস্পতালখনত কেইবাটাও বিভাগ স্থাপন কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ বাবে প্ৰয়োজনীয় অত্যাধুনিক সা-সৰঞ্জামো ব্যৱস্থা কৰা হ'ব।

ইয়াৰ পিছত তেওঁ ডুমডুমাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক প্ৰদানৰ লগতে ১৮৩ কোটি টকা ব্যয় সাপেক্ষে বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ডুমডুমাৰ ৰূপাই উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত আত্মসহায়ক গোটৰ ১৩ হাজাৰ ৮২২ গৰাকী হিতাধিকাৰীৰ মাজত উদ্যমিতা পুঁজিৰ ধন বিতৰণ কৰা হয়। ড০ শৰ্মাই এই অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে ৬০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া ডুমডুমাৰ পুৰণি এ টি ৰোডৰ সম্প্ৰসাৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে ডুমডুমা নগৰ আৰু কাষৰীয়া অঞ্চলত দুটাকৈ বান আৰু খহনীয়া প্ৰতিৰোধ প্ৰকল্প, প্ৰধানমন্ত্ৰী চাহ শ্ৰমিক প্ৰোৎসাহন যোজনাৰ অধীনত ২৪ টা বিদ্যালয় ভৱন নিৰ্মাণ, ডুমডুমা মহাবিদ্যালয়ৰ ষ্টেডিয়াম নিৰ্মাণ, কেইবাখনো বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

০০০০০

দেশৰ বিভিন্ন স্থানৰ লগতে অসমতো আজি চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে ৰাষ্ট্ৰীয় একতা দিৱস  পালন কৰা হয়। ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত আজি পুৱা একতাৰ বাবে দৌৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। তদুপৰি চৰ্দাৰ বল্লভ ভাই পেটেললৈ শ্ৰদ্ধা নিবেদন কৰি বিভিন্ন কাৰ্যসূচীৰো আয়োজন

কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাষ্ট্ৰীয় একতা দিৱসত বিচক্ষণ ৰাজনীতিবিদ গৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰাৰ লগতে সকলোকে ৰাষ্ট্ৰীয় সংহতি আৰু একতা অক্ষুণ্ণ ৰখাৰ বাবে নিজকে সমৰ্পণ কৰিবলৈ আহ্বান জনাইছে।

ৰাষ্ট্ৰীয় একতা দিৱসৰ সৈতে সংগতি ৰাখি গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ৰ উদ্যোগত একতাৰ বাবে দৌৰ শীৰ্ষ কাৰ্যসূচী গ্ৰহণ কৰা হয়। অসম আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে এই কাৰ্যসূচী মুকলি কৰে। খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰৰ পৰা উলিওৱা এই সমদলত অলিম্পিক পদক বিজয়ী বক্সাৰ লাভলীনা বৰগোঁহায়ে অংশ লয়। বিশেষ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান বিশেষ শাখাৰ হীৰেন নাথ, মহানগৰ আৰক্ষী আয়ুক্ত ড০ পাৰ্থসাৰথি মহন্তকে ধৰি কেইবাগৰাকীও বিভিন্ন বৰ্গৰ বিষয়া-কৰ্মচাৰী আৰু জোৱানে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

ধেমাজিত জিলা বিজেপিৰ উদ্যোগত একতা সমদল উলিওৱা হয়। **এক ভাৰত আত্মনিৰ্ভৰশীল ভাৰত, এক ভাৰত শ্ৰেষ্ঠ ভাৰত** শ্লোগানেৰে ভালেসংখ্যক লোকে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

চৰাইদেউ জিলাৰ সোণাৰীতো বিস্তৃত কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় একতা দিৱস পালন কৰা হয়। মন্ত্ৰী যোগেন মহনে আজি চৰ্দাৰ বল্লৱভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী উদযাপন সন্দৰ্ভত এখন সংবাদমেল সম্বোধন কৰে। লৌহ পুৰুষগৰাকীৰ ডেৰশ বছৰীয়া জয়ন্তীৰ সৈতে সংগতি ৰাখি অনাগত দিনত ৰূপায়ণ হ'বলগীয়া বিভিন্ন কাৰ্যসূচী সম্পৰ্কে তেওঁ সংবাদমেলত অৱগত কৰে। কাৰ্যসূচী অনুসৰি অহা ৫ নৱেম্বৰত জিলাখনত স্বাস্থ্য শিবিৰ আৰু ৭ নৱেম্বৰত পদযাত্ৰা আৰু স্বদেশী মেলাৰ আয়োজন কৰা হ'ব বুলি তেওঁ কয়।

একতা দিৱস উপলক্ষে কামৰূপ জিলাৰ বাইহাটা চাৰিআলি আৰক্ষীৰ উদ্যোগত এখন বাটৰ নাট প্ৰদৰ্শন কৰা হয়। নিচাযুক্ত দ্ৰব্য বিৰুদ্ধে যুৱ প্ৰজন্মক সজাগ কৰাৰ লক্ষ্যৰে এই বাটৰ নাট প্ৰদৰ্শন কৰা হয়। বাইহাটা চাৰিআলি আৰক্ষীৰ উদ্যোগত পুৱাৰ ভাগত একতাৰ দৌৰ শীৰ্ষক কাৰ্যসূচী অনুষ্ঠিত হয়।

বজালীৰ জিলা বিজেপিৰ উদ্যোগত পাঠশালাত একতাৰ সমদল শীৰ্ষক এটি কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা বিজেপিৰ কেইবাগৰাকীও কৰ্মীৰ এই সমদলত অংশ লৈ আধুনিক ভাৰতৰ ৰূপকাৰগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰে।

বৰপেটাত জিলা প্ৰশাসন আৰু আৰক্ষীৰ উদ্যোগত একতাৰ দৌৰ কাৰ্যসূচী অনুষ্ঠিত হয়। আৰক্ষীৰ লগতে কেইবাখনো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

পশ্চিম কাৰ্বি আংলঙতো জিলা আৰক্ষীৰ সহযোগত হামৰেনত ৰাষ্ট্ৰীয় একতা দিৱস কাৰ্যসূচী অনুষ্ঠিত হয়। এই দিৱসৰ সৈতে সংগতি ৰাখি হামৰেন থানাৰ পৰা জিৰছং বিদ্যালয়লৈ একতাৰ সমদল উলিওৱা হয়।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক তথা বিক্ৰেতা সন্থাই আয়োজন কৰি অহা অসম গ্ৰন্থমেলাৰ বাবে লখিমপুৰত প্ৰস্তুতি সম্পূৰ্ণ হৈছে। লখিমপুৰ কমাৰ্চ কলেজৰ স্পোৰ্টছ কমপ্লেক্সত ভাষা সাহিত্য সংস্কৃতিৰ এলানি আকৰ্ষণীয় কাৰ্যসূচীৰে কাইলৈৰ পৰা ১০ দিনীয়াকৈ অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। কাইলৈ বিয়লি চাৰে তিনি বজাত শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰনোজ পেগুৱে গ্ৰন্থমেলাখন উদ্বোধন কৰিব। পশ্চিমবংগৰ বিশিষ্ট সাহিত্যিক বিনোদ ঘোষাল বিশেষ অতিথিৰূপে উপস্থিত থাকিব। কাইলৈৰ উদ্বোধনী সভাত বিধায়ক মানৱ ডেকা, মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° অৰূপজ্যোতি চৌধুৰী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বিভাস চৌধুৰী আৰু লখিমপুৰৰ জিলা আয়ুক্ত প্ৰণৱজিৎ কাকতি উপস্থিত থাকিব। গ্ৰন্থমেলাৰ দিনকেইটাত ভাষা সাহিত্য, সংস্কৃতি, ইতিহাস আদি ভিন্ন বিষয় সামৰি আলোচনাচক্ৰ অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত